# Methotrexate
# মেথ'ট্ৰেকছাইট

IRA Committee on patient Education
ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি

*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়

বিভিন্ন ধৰণৰ আথ্ৰাইটিছৰ চিকিৎসা কৰিবলৈ আটাইকৈ বহুলভাৱে ব্যৱহাৰ ঔষধ হ'ল মেথ'ট্ৰেকছাইট (MTX)। ইয়াক ২৫ বছৰৰো অধিক সময় ধৰি ব্যৱহাৰ কৰি অহা হৈছে।

**এই ঔষধ কেনেকৈ সেৱন কৰা হয়?**

মেথ'ট্ৰেকছাইটক সপ্তাহত এবাৰকৈ দিয়া হয়। ইয়াক ব্যৱহাৰ কৰা মাত্ৰা হ'ল সাপ্তাহিক ১০ৰপৰা ২৫ মিঃ গ্ৰাঃ লৈকে। এই ঔষধ কম মাত্ৰাত আৰম্ভ কৰা হয় আৰু ৰোগৰ সক্ৰিয়তা (activity) অনুযায়ী চিকিৎসকে ইয়াৰ মাত্ৰা বৃদ্ধি কৰিব পাৰে। কম বয়সীয়া শিশুসকলত এই ঔষধৰ সৰ্বাধিক মাত্ৰা ১ মিলিগ্ৰাম/কেজিকৈ প্ৰয়োগ কৰিব পাৰি।

**ই কিমান কাৰ্যকৰী?**

এই ঔষধে গাঁঠিৰ বিষ আৰু গাঁঠি ফুলা কমাই প্ৰায় ৬৫ৰ পৰা ৭০শতাংশ ৰোগীত ভাল ফলাফল দিয়া দেখা গৈছে। ই কাম-কাজ কৰাৰ অক্ষমতাৰ পৰা উপশম দিয়ে আৰু জীৱন-যাপনৰ মানদণ্ড উন্নত কৰে। এই ঔষধৰ প্ৰভাৱ (effect) ৬ৰ পৰা ১০ সপ্তাহৰ পাচৰপৰা দেখা পোৱা যায় আৰু সবাতোকৈ বেছি উপকাৰ পোৱা যায় ৩ৰ পৰা ৪ মাহত।

**ইয়াৰ পাৰ্শ্বক্ৰিয়া কি?**

প্ৰাৰম্ভিক পৰ্যায়ত সবাতোকৈ বেছিকৈ দেখা পোৱা পাৰ্শ্বক্ৰিয়া হ'ল বমি ভাব অহা, ভোক কমা, পাতল শৌচ হোৱা, মুখৰ ভিতৰত ঘা লগা ইত্যাদি। কিছু সপ্তাহ ধৰি ঔষধ ব্যৱহাৰ কৰাৰ পাছত এই বিলাক কমি আহে। তেজ পৰীক্ষা কৰি চালেই ৰক্তকোষিকাৰ গণনা (blood count) কমাব পাৰে আৰু যকৃতৰ enzymes বঢ়াব পাৰে। সেয়ে, আপুনি নিজা তেজ পৰীক্ষাৰ আৰু যকৃতৰ enzymesৰ মাত্ৰা নিয়মীয়াকৈ পৰীক্ষা কৰি নিৰীক্ষণ কৰিব লাগে। কাচিৎ ইয়াৰ বাবে শুকান কাঁহ আৰু উশাহ লোৱাত কষ্ট হ'ব পাৰে।

**আমি কেনেকৈ নিয়মীয়াকৈ নিৰীক্ষণ কৰিম?**

প্ৰথম তিনি মাহৰ পৰা চাৰি মাহলৈকে তলত দিয়া ৰক্ত পৰীক্ষাসমূহ প্ৰতিমাহে কৰাব লাগে আৰু তাৰ পিছত প্ৰতি দুইৰ পৰা চাৰি মাহৰ মূৰে মূৰে।

হিমগ্ল'বিন ৭ গ্ৰামকৈ কম হ'ব নালাগে।

সম্পূৰ্ণ লিউকচাইট গণনা (TLC) ৪,০০০/cummতকৈ কম হ'ব নালাগে।

প্লেটিলেট কাউণ্ট ১,০০,০০০/cummতকৈ কম হ'ব নালাগে।

এচ জি অ' টি (SGOT) ৮০আই ইউতকৈ অধিক হ'ব নালাগে।

এচ জি পি টি (SGPT) ৮০আই ইউতকৈ অধিক হ'ব নালাগে।

ক্ৰিয়েটিনান ২ মিলিগ্ৰাম/ডেচিলিটাৰতকৈ অধিক হ'ব

নালাগে।

যদি ইয়াৰে ভিতৰত কোনো সাল-সালনি দেখা যায় ঔষধ বন্ধ কৰি চিকিৎসকক জনাওঁক।

**গৰ্ভাৱস্থা**

গৰ্ভাৱস্থাত মেথ'ট্ৰেকছাইট ব্যৱহাৰ কৰিব নেলাগে। গৰ্ভধাৰণৰ তিনি মাহ পূৰ্বে এই ঔষধ ব্যৱহাৰ কৰাটো বন্ধ কাৰটো আটাইতকৈ উত্তম।

**অস্বীকাৰকৰণ (Disclaimer)** ঃ উপৰোক্ত কথাখিনি চিকিৎসাবিধিৰ প্ৰতিষ্ঠাপন (substitution) নহয়। ই কেৱল কিছুসংখ্যক বিশেষজ্ঞৰ সামূহিক দৃষ্টিভংগীহে দাঙি ধৰিছে। ই ভাৰতীয় ৰিউমেটল'জী সন্থাৰ নিৰ্ধাৰিত নীতি নহয়।